RNI Regn. No- ASSASS/2011/38477

নিৰ্ভীক, নিৰপে

অসমীয়া খবৰ

মুঠ পৃষ্ঠা ১২

৬ আষোণ ১৯৪৭ শক ২৩ নবেম্বৰ ২০২৫ চন ASOMIYA KHABAR JORHAT SUNDAY 23 NOVEMBER 2025 দাম ঃ ৭.০০ টকা

কানৈ তিনি মহাবিদ্যালয়ে ঐক্যবদ্ধ হৈ দেখুৱালে আদৰ্শ

স্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২২ নবেম্বৰ ঃ যি সময়ত সমগ্ৰ পৃথিৱীত বিভাজনৰ ৰাজনীতি চলিছে, সমগ্ৰ বিশ্বত অৰ্থনৈতিক-ৰাজনৈতিক, সামাজিক দিশত ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগত ভাগ হৈ নিশকতীয়া হৈ পৰিছে, যি সময়ত জাতি-জনগোষ্ঠী, ধৰ্ম, সম্প্ৰদায় ভাগ ভাগ হৈ পৰিছে, সেই সময়তে ডিব্ৰুগড়ৰ তিনি মহাবিদ্যালয় ক্ৰমে—ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত অসমৰ সংগীত জগতৰ সদাপ্ৰয়াত উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গ আৰু চৈয়দ চাদুল্লাৰ স্মৃতিচাৰণ অনুষ্ঠান আয়োজন কৰে। জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উপলক্ষে তিনি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ১৮ নবেম্বৰত আয়োজন কৰা সভাখন বন্তি প্ৰজ্বলনৰে উদ্বোধন কৰে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় স্বায়ত্তশাসিতৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণত এয়া নতুন প্ৰজন্মৰ ইতিবাচক চিন্তা-চৰ্চাৰ ফল। পৃথিৱী ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীৰ মাজত বিভাজন হোৱাৰ যি পৰিৱেশ সৃষ্টি হৈছে, সেই সময়তে তিনি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ব্যতিক্ৰম আদৰ্শ দেখুৱাবলৈ সক্ষম হৈছে। প্ৰতিযোগিতামূলক যুগত প্ৰথম হ'ব খুজিলে, অকলশৰে আগবাঢ়ি যোৱা উচিত। যদি হে সফলতা লাভ কৰিব বিচাৰে তেন্তে সকলোৱে হাতত হাত ধৰি আগবাঢ়ি যোৱা উচিত। তিনি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা তিনিখনে বিদৰে একতাৰে এক মহান কৰ্ম সাধন কৰি দুগৰাকী ব্যৰ্থ শিল্পীক স্মৰণ কৰিবলৈ সমবেত হৈছে সেয়া অসমীয়া জাতিৰ বাবে ইতিবাচক দিশ। সুৰ যদি সত্য, সুন্দৰ হয়, সপোনৰ হয়। সেই সুৰে মানুহৰ হৃদয় জিনিব পাৰে, মানুহৰ হৃদয়ত স্পন্দন তুলিব পাৰে। জুবিন গাৰ্গৰ কণ্ঠ আৰু সুৰে তিনি মহাবিদ্যালয়ক একত্ৰিত কৰাৰ পৰিৱেশ সৃষ্টি কৰিলে। ভাষা-সাহিত্য-সংস্কৃতি, গৱেষণা, অধ্যয়নো সমানে আগুৱাই নিবলৈ 'ত্ৰিকৰ্ণ' নামৰ এটা অনুষ্ঠানৰ জন্ম দিয়াৰ কথাও উল্লেখ কৰে। সভাত মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপজ্যোতি ভৰালীয়ে তিনিখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি, সম্পাদকক ধন্যবাদ জনাইকয়ঃ ই এক সুদূৰপ্ৰসাৰী সিদ্ধান্তৰ আৰম্ভণি। কেউখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰা অনুষ্ঠানত মহাবিদ্যালয়কেইখনৰ ছাত্ৰ-ছাত্ৰীসকল, শুভাকাংক্ষীসকল, বিভিন্ন ক্ষেত্ৰত জড়িতসকল, অধ্যাপক-অধ্যাপিকাসকল উপস্থিত আছিল বুলি উদ্যোক্তাসকলে উল্লেখ কৰিছে।

'অসমীয়া খবৰ'ৰ বা

আধৰুৱা চৰকাৰী

আমাৰ খবৰ, ডুমডুমা, ২২ নবেম্বৰ ঃ মন্ত্ৰী ৰূপেশ গোৱালাৰ গৃহ সমষ্টি ৮২ নং ডুমডুমা বিধানসভাৰ হিতাধিকাৰীৰ নামত আৱণ্টিত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ চৰকাৰী আবাস গৃহ নিৰ্মাণৰ দায়িত্ব লৈ দুবছৰে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিব নোৱৰা দৈমুখীয়া গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্য আৰু ঠিকাদাৰী ক-খ নজনা ঠিকাদাৰৰ দুৰ্নীতি-অনিয়ম উদঙাই দি 'অসমীয়া খবৰ'ত বাতৰি পৰিৱেশন হোৱাৰ লগে লগে অধনিৰ্মিত চৰকাৰী আবাস গৃহ নিৰ্মাণৰ কাম আৰম্ভ হ'ব ধৰিছে। শাসকীয় বিজেপিৰ দখলত থকা দৈমুখীয়া পঞ্চায়তৰ ৮ নম্বৰ ৱাৰ্ড সদস্য ত্ৰিনাথ তাঁতী আৰু ঠিকাদাৰ জয়ন্ত ভূমি ৱাৰ্ডটোৰ নতুন লাইনৰ দৰিদ্ৰ হিতাধিক ক্ৰমে—পদুচা তাঁতী, প্ৰমীলা দুলাল অ গোৰবাৰী মুড়াৰ চৰকাৰী আবাস গৃহ তি দুবছৰে অধনিৰ্মিত কৰি ৰাখিছে বুলি অভি উঠিছিল। হিতাধিকাৰীসকলে দৈমুখীয়া পঞ্চায়তটোত দুৰ্নীতি-অনিয়মে গা-কৰি উ বুলি অভিযোগ তুলিছিল। দৰিদ্ৰ হিতাধি কেইগৰাকীৰ দুৰৱস্থাৰ বিষয়ে 'অসমীয়া খ সবিস্তাৰে বাতৰি পৰিৱেশন হোৱাৰ লগে দৈমুখীয়া গাঁও পঞ্চায়তৰ ভিতৰে-বা হুৱাদুৱাৰ সৃষ্টি হ'ব ধৰিছে। পঞ্চায়ত

যোৰহাটৰ সকাইখ মেৰামতি-ৰন্ধন গৃহ নি

আমাৰ খবৰ, যোৰহাট, ২২ নবেম্বৰ ঃ দেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ভবেন্দ্ৰনাথ ভৰালীয়ে ২০২৪-২৫ বৰ্ষৰ এছএছএ মেজৰ ৰিপিয়াৰিং গ্ৰাণ্টৰ অনুমোদিত ৯,৭৩,৩৮২ টকাৰে বিদ্যালয়ৰ গৃহ মেৰামতিৰ আধাৰশিলাৰ উপৰি ২০২৫ বৰ্ষৰ পিএম পোষণৰ ৪,৭২,৩০০ টকাৰ ভিতৰৰে প্ৰথম কিস্তি ৩,৭৭,৮৪০ টকাৰে নিৰ্মাণ কৰিবলগীয়া ৰন্ধন গৃহৰ শুভাৰম্ভ কৰাৰ লগতে ইতিমধ্যে বিদ্যালয়ৰ চৌহদত ২০২৩-২৪ বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত যোৰহাট জিলা পৰিষদৰ দ্বাৰা ৬,৮৯,০০০ টকাৰে নিৰ্মিত পকীবেৰা উদ্বোধন কৰে। তাৰ পাছতে বিধায়কগৰাকীৰ সভাপতিত্বত বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত ৰাজহুৱা সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰবোধ কৰাই ১৯৭৩ চ বিদ্যালয়খনৰ লগতে ১৯৮২ চনত হ কৰা আৰু ২০১৭ চনত দুয়োখন বিদ চৰকাৰ তথা শিক্ষা বিভাগে কৰাত ২ শিক্ষকৰ দায়িত্ব লৈ বৰ্তমানলৈকে প্ৰতিবেদন পাঠ কৰে। চলিত মাহ অৱসৰ গ্ৰহণ কৰিব। শিক্ষকতাৰ ক্ষেত্ৰত স্থানীয় বহুকেইগৰাকী এগৰাকী শিক্ষকে কৰা অসহযোগি লগতে তিতা-মিঠা অভিজ্ঞতাৰে সভাত বিদ্যালয়খনৰ প্ৰতিষ্ঠা শিক্ষক, প্ৰাক্তন সভাপতি, প্ৰাক্তন অভিভাৱক, শুভাকাংক্ষীসকল